
## 2020-2021

## *Book Published as Author or as editor.*

*1. Yugal Jyoti Borah*

*Borluit*




PRINCIPAL, i/c
Marangi Mahavidyalaya

**BORLUIT-** A Commemorative Volume, edited by Yugal Jyoti Borah and published by Pragjyotika Kabya Kanan, No. 1. Borjangaon, Golaghat-785610 on behalf of Celebration Committee, 5th Biennial State Conference,Asomiya Sahitya Sanmilanee, Doyang College, Merapani, Golaghat-785705, Assam. Printed at Arindam Pritners, ,Guwahati. Price Rs. 250/ Only.

ISBN: 978-81-947352-0-5

© Celebration Committee, 5th Biennial State Conference, Asomiya Sahitya Sanmilanee

**বৰলুইত**

স্মাৰক গ্ৰন্থ

পঞ্চম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিৱেশন,

অসমীয়া সাহিত্য সন্মিলনী, দৈয়াং মহাবিদ্যালয়।

সম্পাদনা সমিতিঃ

উপদেষ্টা ঃ ড° চৌধুৰী নাথ শইকীয়া

অশোক দাস

সভাপতি ঃ মনোজ কুমাৰ শইকীয়া

সম্পাদক ঃ যুগলজ্যোতি বৰা

সম্পাদনা সহযোগী ঃ দ্বীপেন বৰা,

পিংকু শইকীয়া

**দৈয়াং বিশেষ**'ৰ তত্বাবধায়ক ঃ দেৱযানী বৰগোহাঁইবৰুৱা, দিপেন বৰা

প্ৰকাশকাল ঃ ৭ ফেব্ৰুৱাৰী, ২০২১

প্ৰকাশক ঃ উদ্‌যাপন সমিতিৰ হৈ প্ৰাগজ্যোতিকা কাব্য কানন, ১ নং বৰজান গাঁও, গোলাঘাট - ৭৮৫৬১০, ফোন - ৯৪০১০৯৬৬৭৬ গোলাঘাট

অক্ষৰ বিন্যাস আৰু অঙ্গসজ্জা ঃ জোনাক প্ৰিণ্টাৰ্চ, মেৰাপানী, গোলাঘাট

প্ৰচ্ছদ ঃ মনজিৎ ৰাজখোৱা

ছপা ঃ অৰিন্দম প্ৰিণ্টাৰ্চ,গুৱাহাটী

মূল্য ঃ ২৫০/ মাত্ৰ

PRINCIPAL, i/c
Marangi Mahavidyalaya

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

PRINCIPAL, i/c
Marangi Mahavidyalaya

## সম্পাদকীয়—

# ভাষা আৰু সাহিত্যত চেতনাৰ আন্তৰিক প্ৰৱণতা

*"Literature is where I go to explore the highest and lowest places in human society and in the human spirit, where I hope to find not absolute truth but the truth of the tale, of the imagination and of the heart."*

*–Salman Rushdie.*

সাহিত্য এক সাধনাৰ বিষয়, এক গৱেষণাৰ বিষয়।ই এক সৃজনাত্মক শৰীৰ য'ত জিলিকি থাকে সভ্যতাৰ ইতিহাস, শোষণ-নিস্পেষণৰ বলী হৈও মূৰ দাঙি থকা শ্ৰমজীৱী জনতাৰ জীৱনৰ জয়গান।সাহিত্যই তুলি ধৰে শাসক-শোসকৰ বিৰুদ্ধে মাটিৰ মানুহৰ প্ৰতিবাদী ইস্তাহাৰ। সেয়ে সাহিত্যৰ সংজ্ঞা বৰ বিশাল। নিৰ্দিষ্ট কেইটামান শব্দ, বাক্য বা মতবাদৰ মাজত সাহিত্যৰ সংজ্ঞা নিৰূপন কৰিবলৈ গ'লে ই কেতিয়াও বাস্তৱ অৰ্থত সম্পূৰ্ণ সাহিত্যৰ ৰূপ পৰিগ্ৰহণ কৰিব নোৱাৰে। সাহিত্যই যিহেতু সকলো শ্ৰেণীৰ মানুহৰ সুখ-দুখ, সংগ্ৰাম-সংঘাত তথা পোৱা নোপোৱাৰ আশা-হতাশা সৃষ্টি কৰ্মৰ মাজেৰে তুলি ধৰে।সমাজ-সভ্যতা আৰু মানুহৰ উত্তৰণৰ ইতিহাসৰ গহ্বা লৈয়ে সৃষ্টি হয় সাহিত্য কৰ্ম। কাৰণ সাহিত্য যে সমাজ-সভ্যতাৰ পৰিপূৰক ইতিহাস। সেয়ে বোধহয় সাম্প্ৰতিক সাহিত্য সৃষ্টিৰ ক্ষেত্ৰখন কেৱল মাত্ৰ উচ্চশিক্ষিত পণ্ডিত, বুদ্ধিজীৱী বা শিক্ষিত শ্ৰেণীৰ হৈ থকা নাই। পথৰ চাহ বেপাৰীৰপৰা, ৰিক্সাৱালা, ড্ৰাইভাৰলৈকে বৰ্তমানৰ সাহিত্যৰ জগতখনত এক নতুন দিগন্তৰ সূচনা কৰিছে।আমি আন্তৰিকতাৰে বিশ্বাস কৰোঁ যি নিজক অনুভৱ কৰিব নাজানে, যি নিজৰ লগতে সমাজ-জীৱনৰ লগত সংপৃক্ত প্ৰতিটো স্তৰৰ মানুহক মানৱীয় দৃষ্টিকোণেৰে অনুভৱ কৰিব নাজানে তেওঁৰ কলমত কেতিয়াও মহৎ সাহিত্য সৃষ্টি নহয়। নিৰ্দিষ্ট তত্ব, ধৰ্মীয় দৰ্শন বা মাৰ্গবাদৰ ভেঁটিত প্ৰতিষ্ঠিত সাহিত্যই মানুহৰ অন্তৰ জয় নকৰে, মানুহৰ আবেগ-অনুভূতি , আশা-আকাংক্ষা আৰু সমসাময়িক জাতীয় জীৱনৰ সম্পৰীক্ষাৰ মাজতহে সাহিত্যৰ জীৱন। মানুহৰ জীৱনৰ লগত সম্পৰ্কিত আবেগ-অনুভূতিৰ সনাতন সত্যসমূহ মৰ্মে মৰ্মে উপলব্ধি কৰি সাহিত্যকৰ্মত সেয়া প্ৰকাশ কৰাৰ দক্ষতা প্ৰদৰ্শন কৰাৰ বাবেই হয়তো উইলিয়াম শ্বেইক্সপীয়েৰ আজি বিশ্ব বিশ্ৰুত, অন্যহাতে প্ৰচণ্ড মেধা ,পাণ্ডিত্য আৰু ভাষাজ্ঞান আৰু মানৱীয় আবেদনেৰে পুষ্ট হৈও কেৱল মাত্ৰ আধ্যাত্মিক মাৰ্গ দৰ্শনেৰে সৃষ্টি কাৰ্যতব্ৰতী হোৱাৰ বাবেই হয়তো শংকৰদেৱ তথা তেখেতৰ অতুলনীয় সৃষ্টিকৰ্ম কেৱল অসম মুলুকতে সীমাবদ্ধ



PRINCIPAL, i/c
Marangi Mahav
Scanned by TapScanner

**ঃপ্ৰসঙ্গ-বৰলুইতঃ**

অসমীয়া সাহিত্য সন্মিলনীৰ পঞ্চম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিবেশন উপলক্ষে প্ৰকাশিত স্মাৰক গ্ৰন্থ 'বৰলুইত'ৰ সম্পাদনাৰ গুৰু দায়িত্ব গভীৰ আস্থাৰে আমাৰ ওপৰত অৰ্পন কৰাৰ বাবে আহ্বায়ক সমিতিৰ লগতে সাহিত্য সন্মিলনীৰ সমূহ সৃজন সতীৰ্থৰ ওচৰত আমি কৃতজ্ঞ। গ্ৰন্থখনিৰ সম্পাদনাত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে আমি সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। 'বৰলুইত'ৰ সম্পাদনাত বিশেষভাৱে আমাৰ ছাঁটোৰ দৰে লাগি থকা সম্পাদনা সমিতিৰ শ্ৰদ্ধাৰ সভাপতি মনোজ কুমাৰ শইকীয়াদেৱৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ ৰ'ম। এই ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ সৃজন সতীৰ্থ ডঃ অনুৰাধা শৰ্মা বাইদেউৰ সহযোগিতাৰ আন্তৰিক শলাগ লৈছোঁ। যিসকল লেখকৰ মূল্যবান লেখনিয়ে গ্ৰন্থখনি সমৃদ্ধ কৰাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগালে, তেখেতসকললৈও সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অভ্যৰ্থনা সমিতিৰ সম্পাদক তথা গোলাঘাট জিলা সাহিত্য সন্মিলনীৰ সম্পাদক ভাতৃপ্ৰতীম দীপক বৰাৰ আন্তৰিক সহযোগিতাৰো আমি শলাগ লৈছোঁ। সম্পাদনা সমিতিৰ প্ৰত্যেকজন সদস্য বিশেষকৈ সহযোগী সম্পাদক দ্বীপেন বৰা, জোনাক প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী পিংকু শইকীয়া আৰু বেটুপাতৰ শিল্পী মনজিৎ ৰাজখোৱাৰ সৃজনাত্মক সহযোগিতাই স্মাৰক গ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধিত বিশেষ অৰিহণা যোগালে। এই চেগতে এখেতসকলৰ প্ৰতিও জ্ঞাপন কৰিছোঁ বিশেষ কৃতজ্ঞতা।

পৰিশেষত আমি সদায় আশা কৰিম যে আমাৰ সাহিত্য, সমাজ আৰু সংস্কৃতি প্ৰতিনিয়ত মানৱতাৰ সপক্ষে আৰু সকলো প্ৰকাৰৰ সংকীৰ্ণতাৰ বিপক্ষে থিয় দি এক যোগাত্মক সময়ৰ লগতে প্ৰতিটো দিশতে নতুন দিগন্তৰ সূচনা কৰক।।◆

(যুগল জ্যোতি বৰা)
সম্পাদক, 'বৰলুইত'

PRINCIPAL, i/c
Marangi Mahavidyalaya



Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

হৈ থাকিল। গতিশীল মানবীয় তথা সামাজিক প্ৰমূল্যবোধক উচ্চ চিন্তা-চেতনাসমৃদ্ধ, উচ্চ পৰ্যায়ৰ বাক্‌ধাৰাৰে পঢ়ুৱৈৰ মাজলৈ লৈ যোৱাৰ মহৎ কৰ্তব্য সাহিত্যিসকলে আন্তৰিকতাৰে পালন কৰিব লাগিব। কাৰণ কবি-সাহিত্যিকসকল যে এটা যুগ, জাতি বা সভ্যতাৰ প্ৰতিভু বুলি সৰ্বজন স্বীকৃত।

সাহিত্যত সংকীৰ্ণতাৰ স্থান নাই। ভৌগোলিক সীমা চেৰাই, সকলো ধৰ্মীয় তথা সাম্প্ৰদায়িক গোড়ামিৰ উৰ্দ্ধত থাকি কেৱল মানৱতাৰ সপক্ষে যি সাহিত্য সৃষ্টি হৈছে সেই সাহিত্যই বিশ্ব সাহিত্য হিচাপে পাঠকৰ অন্তৰত যুগ যুগ ধৰি বন্দিত হৈ আহিছে। স্বাধীন চিন্তা আৰু মৌলিক ধ্যান-ধাৰণাৰ উৎকৰ্ষ সাধনাৰে সমাজ তথা সামাজিক দৃষ্টিভঙ্গীক এক প্ৰকাৰ নতুন চেতনাৰে সমৃদ্ধ কৰে সেইসকল সাহিত্যিকবা সাহিত্য সেৱীৰ অৱদান সময়ৰ বুকুত অমলিন হৈ ৰয়। বহুসময়ত এচাম লেখকে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি কেৱল ব্যক্তিগত নাম-যশ, বটা প্ৰাপ্তিৰ বাবেহে সাহিত্য চৰ্চা কৰাৰ পৰিৱেশ সৃষ্টি কৰি লয়। কিন্তু সমাজৰ মূল শিপাৰপৰা বিচ্ছিন্ন হৈ, নিৰন্নজনৰ অন্ন বস্ত্ৰৰ সমস্যাৰপৰা পৰা নিৰ্দিষ্ট দূৰত অৱস্থান কৰি বা মাটিৰ মানুহ আবেগ অনুভূতিক হৃদয়েৰে অনুভৱ কৰিব নোৱাৰাকৈ জানো কোনোবাই সমাজ সভ্যতাৰ বুনিয়াদ ৰচি পৰা সাহিত্য ৰচনা কৰিব পাৰিব? কেৱল স্ব-নিৰ্ভৰ, একপক্ষীয় তত্ত্ব-তৰ্কৰ পাছত দৌৰি সমাজত প্ৰতিষ্ঠা কৰিব পাৰিবনে বিশ্বজনীন অভিধা? আমি হয়তো কৌটিল্য, চাণক্য, কালিদাস, ৰবীন্দ্ৰ নাথ বা শংকৰ-মাধৱ, বেজবৰুৱা, জ্যোতি-বিষ্ণু, ভূপেন হাজৰিকাৰ দৰে মণিষীৰ বাবে আৰু বহু বছৰ অপেক্ষা কৰিব লাগিব যিসকলৰ দৃষ্টিত আছিল বিশ্বৰীক্ষাৰে সমুজ্জ্বল ধ্যান-ধাৰণা। ভোগসৰ্বস্ব সমাজ-ব্যৱস্থাই আজিৰ বহু সাহিত্যিক-বুদ্ধিজীৱীক বজাৰৰ ক্ৰেতা-বিক্ৰেতাত পৰিণত কৰিছে, ফলশ্ৰুতিত এইচামৰ লেখাত পৰিস্ফুত হৈ উঠে মেথিউ আৰ্ণল্ডৰ 'সাহিত্য জীৱনৰ সমালোচনা (Literature is the criticism of life)' শীৰ্ষক সৰ্বজনীন অভিধাৰ অন্তহীন অৰ্থহীনতা। ইয়াৰ বিপৰীতে যিসকল নমস্য সাহিত্যিক-বুদ্ধিজীৱী কাৰো ওচৰত আঁঠু নলৈ মৌলিক চিন্তন মন্থনৰ মাজেৰে মানুহৰ সুখ-দুখ আৰু সমাজ-সভ্যতাৰ উত্থান-পতনৰ সাক্ষী হৈ সাহিত্য কৰ্মত ব্ৰতী হৈছে, তেওঁলোকৰ সাহিত্য কৰ্ম সকলো প্ৰকাৰৰ তথাকথিত প্ৰমূল্যৰ উৰ্দ্ধলৈ গতি কৰি এক অনন্য কলাত পৰিণত হৈছে। ড° ভূপেন হাজৰিকাৰ ভাষাৰেই হয়তো সময়ৰ ইতিবাচক গতিক ব্যাহত কৰিব বিচৰা এই অশুভ পৰম্পৰাৰ বিৰুদ্ধে এইচাম সৃজন-চেতনালব্ধ সাহিত্যিক থিয় হৈ গভীৰ আশাবাদেৰে কৈ যাব—

*"...বাধাৰ বুৰঞ্জী কঢ়কঢ়াৰ*
*টুকুৰা টুকুৰ কৰি*
*দলিয়াই দিম এন্ধাৰৰ খালে*
*যাৰ কঁৰৱালে উঁৱি।"*

।। অসমীয়া ভাষা মোৰ চিৰ চেনেহী।।

এটা জাতিৰ স্বাভিমান সেই জাতিৰ আইৰ মুখৰ মাত। এটা জাতিৰ ভাষাৰ সংকট মানে সেই জাতিৰ অস্তিত্বৰ সংকট। মাতৃভাষা অবিহনে জাতিৰ ঠিকনা অচল। সম্প্ৰতি ইংৰাজী ভাষাৰ আগ্ৰাসনৰ ফলত পৃথিৱীৰপৰা বহু সৰু সৰু জাতি উপজাতিৰ ভাষাই মেলানি মাগিছে। এয়া আমাৰ বাবে চৰম



দুৰ্ভাগ্যৰ বতৰা। কাৰণ চেমুৱেল জনচনে ক'বৰ দৰে আমিও আন্তৰিকতাৰে অনুভৱ কৰোঁঃ *I am always sorry when any language is lost, because languages are the pedigrees of a nation.* অসমীয়া ভাষাইও চৰম দুৰ্ভৰনাৰ বহু পথ অতিক্ৰমি আজিৰ এই অৱস্থা পাইছেহি। আজিও অসমীয়া ভাষা এচাম অসমীয়া মানুহৰ অপৰিপক্ক মানসিকতাৰ বাবেই অস্তিত্বৰ সংকটত। অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধিৰ হকে যিসকল প্ৰাতঃস্মৰণীয় ব্যক্তিয়ে ভাষাৰ সংকটকালত অতীজৰেপৰা যুঁজি আহিছে সেইসকলৰ ভিতৰত আমি নাম লৈ ভাল পাম এজন বৃটিছ ভাষাবিদ ব্ৰনছন চাহাবৰ নাম যি বাৰ বছৰৰ কঠোৰ পৰিশ্ৰমৰ অন্তত ১৮৬৭ চনতে প্ৰকাশ কৰি উলিয়াইছিল "অচমীয়া আৰু ইংৰাজি অভিধান"। এই অভিধানৰ পাতনিত তেখেতে লিখিছিলঃ

*"সকলো জাতি আৰু মানুহৰ মাজত নিজ মাত্ৰি ভাসা আদৰনিয়। সেয়ে জিমান কি খিনি আৰু অসোভিত নহওক তেও আপোন ভাসা বুলি নেৰে। ৰন বিগ্ৰহ, ৰাজ্য ভগা আৰু নতুন ৰাজ্য পত্ৰ, এনে দুৰ্ঘটনাৰ পৰা, বা নান বিদেসি ভাসা সিকাতে মাত্ৰি ভাসাক গুচাব নোআৰে। আমাৰ এই অচম দেসত ইয়াৰ প্ৰমান দেখা গৈচে। পুৰ্বে আহোম ৰজাসকলে এই দেস জই কৰি স সবচৰ ভোগ কৰিলে। তেওঁবিলাকৰ ভাসা খাম্‌তি জাতিৰ সমন্ধিয় এক ভাসা আচিল; কিন্তু এয়ে অতি জে ৰজা সকলৰ ভাসাই অচমিয়া ভাসাৰ একো হানি নকৰি, এতিয়া প্ৰায় সেই ভাসা আপুনি লোপ হল।........ অচমিয়া ভাসা বম্মপুত্ৰনদিৰ সোঁতৰ নিচিনাকৈ ৰাজ্যৰ মাজত একেদৰে চলি আচে, আৰু আগলৈকো চলিব।"* (**অৰুনোদই**, পৃঃ৯১, অসম প্ৰকাশন পৰিষদ, ১৯৮৩)

জাতি-মাটি আৰু অসমীয়া ভাষাৰ অস্তিত্বৰ বাবে সন্দিহান হৈ অসমীয়াই ৰাজপথ কঁপাই, শ্লোগান-প্ৰতিবাদেৰে আবেগ-বিবেকৰ আন্দোলন কৰি থকাসকলৰ বাবে ব্ৰনছন চাহাবৰ এই আশাবাদ নিশ্চয় এক মহৌষধ স্বৰূপ। ভাষা-সংস্কৃতিক আবেগিক আন্দোলনেৰে নিৰাপত্তা দিবলৈ যোৱাৰ আগতে আমি প্ৰতিজন অসমীয়াই নিজ মাতৃভাষাক তেজৰ দৰে হৃদয়ত বোৱাই ৰাখিব লাগিব, মাতৃভাষাৰে ছন্দোময় কৰিব লাগিব আমাৰ আবেগ-অনুভূতি, ছন্দোময় কৰাৰ পৰিৱেশ সূচনা কৰিব লাগিব আমাৰ উত্তৰ প্ৰজন্মৰ আবেগ অনুভূতি। নিজৰ ভাষাটোৰ ক্ষেত্ৰত বিদ্বৎ সমাজেও 'বাহিৰে ৰংচং ভিতৰে কোৱা ভাতুৰি'ৰ পোছাক খুলি নিজ সন্তানৰ লগত সমস্বৰে গাওক... *'অসমীয়া ভাষা মোৰ চিৰ চেনেহী/ সুৱদী সুৰীয়া মাতপ্ৰাণদায়িনী/ সচিতে সপোনে দেশ দেশান্তৰে/ হৃদয়ত শুনো তৰ পদধ্বনি...'* (ড° দিলীপবৰা)। জাতি-জনগোষ্ঠীৰ মাজত একতাৰ এনাজৰী কটকটীয়া কৰি কেৱল মাত্ৰ আমাৰ সুৱদী ভাষাই অসমীয়া জাতি, অসমীয়া কৃষ্টি-সংস্কৃতি আৰু জাতীয় সত্তাক প্ৰদান কৰিব সঞ্জীৱনী সুধা, প্ৰদান কৰিব নজহা নপমা জাতীয় ঠিকনা। অসমত বৰ্তমানে বহুলভাৱ প্ৰচলিত অভিধান কেইখনৰ বানানৰ ভিন্নতাইও বহুসময়ত আমাক বিবুধিত পেলায়। একেটা ভাষাৰ শব্দৰ আখৰ গাঁথনিৰ সমন্বয়হীনতাই নিশ্চয় ভাষাটোৰ শ্ৰীবৃদ্ধিত যথেষ্ট নেতিবাচক প্ৰভাৱ পেলায়। ভাষাক লৈ চৰ্চিত এনে সকলোবোৰ নেতিবাচক কথা-বাৰ্তা বিদ্বৎ সমাজে নিৰ্মোহ আৰু নিস্বাৰ্থভাৱে, আলোচনাৰে আৰু গৱেষণাৰে যিমান পাৰে সিমান ক্ষীপ্ৰতাৰে অৱসান ঘটোৱাৰ পদক্ষেপ হাতত লওক, তেহে জাতিটোৰ মংগল আশা কৰি...
গোঙ্কোৰে/ ঘৰেবাহিৰে গুঞ্জ...

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

PRINCIPAL, i/c
Marangi Mahavidyalaya